**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-04-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin
## Headlines

অহা ২ মে’ত হ’বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। নিৰ্বাচন উপলক্ষে বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই কালি বিশ্বনাথ, শোণিতপুৰ আৰু নগাঁৱত প্ৰচাৰ সভাত অংশ লয়। জনসাধাৰণক উদ্দেশ্যি দিয়া ভাষণত দলটোৱে জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰি যাব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে।

বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় জিলাৰ টিংখং, নাহৰকটীয়াৰ উপৰি দুলীয়াজানৰ ঘাঁহী ফুকনবাৰীত আয়োজিত জনসভাত অংশ লয়। তেওঁ বিকাশৰ অনিৰুদ্ধ গতি ত্বৰান্বিত কৰাৰ বাবে বিজেপিৰ প্ৰাৰ্থীক জয়ী কৰিবলৈ আহ্বান জনায়।

শাসকীয় বিজেপি আৰু অসম গণ পৰিষদৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ দুয়োটা দলে কালি ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলায়। অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, স্থানীয় বিধায়ক পোনাকন বৰুৱা আদি জ্যেষ্ঠ নেতাই কালি জিলাখনৰ কেইবা ঠাইতো প্ৰচাৰ চলায়।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই কালি ৰঙানদী সমষ্টিৰ বিভিন্ন স্থানত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। সাংসদ গৌৰৱ গগৈয়ে যোৰহাট জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৭১ গৰাকী ব্যক্তিক ২০২৫ বৰ্ষৰ পদ্ম বঁটাসমূহ প্ৰদান কৰে। দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটা- পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী এই তিনিটা পৰ্যায়ত প্ৰদান কৰা হয়। অসমৰ সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে অনিল কুমাৰ বড়ো আৰু ডিমা হাচাও জিলাৰ প্ৰবীণ লোকসংগীত শিল্পী জয়নাচৰণ বাথাৰীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হয়। পদ্মভূষণ বঁটা লাভ কৰা সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক নৃত্যাচাৰ্য যতীন গোস্বামীক পৰৱৰ্ত্তী পৰ্যায়ত এই বঁটা প্ৰদান কৰা হ’ব।

বিশিষ্ট ভায়লিনবাদক তথা সুৰকাৰ ড০ এল সুব্ৰমনিয়ম আৰু গেষ্ট্ৰ’এণ্ট্ৰ’লজিষ্ট ডাঃ নাগেশ্বৰ ৰেড্ডীক কালি পদ্ম বিভূষণ বঁটা প্ৰদান কৰা হয়। বিশিষ্ট জাপানী উদ্যোগপতি তথা চুঝুকী মটৰ কৰ্পৰেশ্বনৰ অধ্যক্ষ ওচামা চুঝুকীলৈ মৰনোত্তৰভাৱে পদ্মবিভূষণ বঁটা আগবঢ়োৱা হয়। পদ্মভূষণ বঁটা লাভ কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত বিশিষ্ট সম্পাদক আৰু প্ৰচাৰ ভাৰতীৰ প্ৰাক্তন অধ্যক্ষ এ সূৰ্য প্ৰকাশ, চলচ্চিত্ৰ অভিনেতা অনন্ত নাগ, নন্দামুৰী বালাকৃষ্ণ আৰু এছ অজিত কুমাৰ, বোলছবি নিৰ্মাতা শেখৰ কাপুৰ আৰু ভাৰত নাট্যম নৃত্যশিল্পী শ’বনা চন্দ্ৰকুমাৰ, ভাৰতীয় হকী দলৰ প্ৰাক্তন অধিনায়ক পি আৰ সৃজেশ অন্যতম। বিশিষ্ট গজল গায়ক পংকজ উধাছক মৰণোত্তৰভাৱে প্ৰদান

কৰা এই বঁটা তেওঁৰ পত্নীয়ে গ্ৰহণ কৰে। ক্ৰিকেটাৰ ৰবিচন্দ্ৰন অশ্বীন, এছ্ বি আইৰ প্ৰাক্তন অধ্যক্ষ অৰুন্ধতি ভট্টাচাৰ্য্যলৈ পদ্মশ্ৰী বঁটা আগবঢ়োৱা হয়।

০০০০০০০

উচ্চতম ন্যায়ালয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাৰ সভাপতি তথা জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত চলা আদালত অৱমাননাৰ গোচৰত অন্তৰ্বৰ্তী স্থগিতাদেশ জাৰি কৰিছে। অৱশ্যে জ্যেষ্ঠ অধিবক্তা অনিল কুমাৰ ভট্টাচাৰ্য আৰু অধিবক্তা পল্লৱী তালুকদাৰৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত আদালত অৱমাননাৰ গোচৰ চলি থাকিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই গুৱাহাটী উচ্চ ন্যায়ালয়ত তৰা আদালত অৱমাননাৰ ফৌজদাৰী গোচৰত প্ৰত্যাহ্বান জনাই জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীয়ে উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। কালি ন্যায়ালয়ৰ ন্যায়াধীশ বিক্ৰম নাথ আৰু সন্দীপ মেহতাৰ খণ্ড বিচাৰপীঠে এই আদেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ে মহাধিবক্তা দেৱজিৎ শইকীয়ালৈ চাৰি সপ্তাহৰ ভিতৰত উত্তৰ দিয়াৰ বাবে জাননী জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাই দাখিল কৰা আন এখন আবেদন উচ্চতম ন্যায়ালয়ে কালি খাৰিজ কৰে। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয় উত্তৰ গুৱাহাটীৰ ৰংমহললৈ স্থানান্তৰৰ প্ৰস্তাৱৰ বিৰুদ্ধে যোৱা ২৪ মাৰ্চত উকীল সন্থাৰ প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয় আৰু ন্যায়াধীশ সুমন শ্যাম সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত মহাধিবক্তা শইকীয়াই দুটা আদালত অৱমাননাৰ ফৌজদাৰী গোচৰ তৰিছিল। দুয়োটা গোচৰৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ১২ এপ্ৰিলত কমল নয়ন চৌধুৰীসহ পদকীয়া পক্ষলৈ জাননী জাৰি কৰে।

০০০০০০০

গোলাঘাট জিলাৰ সৰুপথাৰ সম জিলাৰ অন্তৰ্গত ছেৰাগুৰিৰ ঔটেঙা তল চুবুৰীত ডায়েৰীয়াসদৃশ ৰোগত বহু লোক আক্ৰান্ত হোৱাৰ লগতে এই ৰোগৰ ফলত দুগৰাকী মহিলাৰ মৃত্যু হৈছে। চাৰিদিন পূৰ্বে গাঁওখনৰ একাংশ লোক এনে ৰোগত আক্ৰান্ত হৈ সৰুপথাৰ আৰু গোলাঘাটত চিকিৎসাধীন হৈছিল। ইয়াৰে ৰুফিনা কৰ্মকাৰ আৰু পূৰ্ণিমা কেৰকেটা নামৰ মহিলা দুগৰাকী চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। স্বাস্থ্য বিভাগে গাঁওখনত স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰি জনসাধাৰণৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনেও কালি ঘটনাৰ বুজ লয়। একেদৰে জিলাখনৰ আয়ুক্তই কালি সৰুপথাৰৰ সমূহীয়া স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি ৰোগীসকলৰ বুজ লয়।

০০০০০০০

**সমাপ্ত**